# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 04-01-2025
**Time :** 07-55 hrs

ASSAMESE MORNING BULLETIN

::::::::::::::::::

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে গুৱাহাটী আৰু উত্তৰ লখিমপুৰ সংযোগী নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে'লৰ লগতে তিনিচুকীয়া-নাহৰলগুন এক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে'ল দুখনৰ যাত্ৰাৰো কালি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে।

গুৱাহাটী ৰে'ল ষ্টেচনত এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ২০২৪-২৫ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল খণ্ডৰ বিকাশৰ বাবে ১০ হাজাৰ কোটি টকা আবণ্টন দিয়াৰ কথা উল্লেখ কৰে। উত্তৰ-পূৰ্বাঞ্চল এতিয়াৰে পৰা দেশৰ নতুন ইঞ্জিন বুলি উল্লেখ কৰি শ্ৰী বৈষ্ণৱে উত্তৰ-পূব খণ্ডৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে বাজেটত ১ লাখ ২৫ হাজাৰ কোটি টকাৰ আৱণ্টন দিয়া হৈছে বুলি প্ৰকাশ কৰে। এই নতুন ৰে'লকেইখনে ৰাজ্যখনত ৰে'ল যোগাযোগ অধিক সুচল কৰি তুলিব বুলি আশা কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত জাগীৰোডত স্থাপন কৰিবলগীয়া ৰাষ্ট্ৰীয় বৈদ্যুতিন আৰু তথ্য-প্ৰযুক্তি প্ৰতিষ্ঠান অৰ্থাৎ নাইলেট বিশ্ববিদ্যালয়ে শৈক্ষিক পাঠ্যক্ৰম আৰু উদ্যোগৰ মাজত সামঞ্জস্য ৰক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত প্ৰযুক্তিগত বিপ্লৱে সহায় কৰিব। এই ক্ষেত্ৰত নাইলেট বিশ্ববিদ্যালয়ে ৰাজ্যৰ শিক্ষা জগতত নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱক অহা ২৫ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছাম সন্মিলনলৈ আমন্ত্ৰণ জনায়।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়া বিচাৰপীঠে  পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ দিয়া নিৰ্দেশনাৰ বিৰুদ্ধে পুনৰ ৰাজ্য চৰকাৰ আৰু নিৰ্বাচনী আয়োগ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। এই সন্দৰ্ভত চৰকাৰে গোচৰ ৰুজু হোৱা পঞ্চায়ত এলেকাসমূহক বাদ দি বাকী অঞ্চলসমূহত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুমতি দিবলৈ ন্যায়ালয়ত আবেদন জনাইছে। চৰকাৰৰ এই আবেদনৰ শুনানি লৈ কালি উচ্চ ন্যায়ালয়ে অহা ৬ জানুৱাৰীত গোচৰীয়া পক্ষক উত্তৰ দিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে, সমষ্টি পুনৰ নিৰ্ধাৰণত বিভিন্ন আসোঁৱাহৰ অভিযোগ তুলি একাংশ প্ৰাৰ্থী উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ ভিত্তিত ৯ জানুৱাৰী পৰ্যন্ত গুৱাহাটী উচ্চ ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগক নিৰ্দেশ দিছিল। উচ্চ ন্যায়ালয়ে যোৱা ১৭ ডিচেম্বৰত দিয়া এই নিৰ্দেশৰ সংশোধনী বিচাৰি ৰাজ্য চৰকাৰ আৰু ৰাজ্যিক নিৰ্বাচনী আয়োগে উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছে।

ooooo

অসমত সুস্থ শৈক্ষিক পৰিবেশ স্থাপনৰ উদ্দেশ্যে আটাইকেইখন বিশ্ববিদ্যালয়তে এখনেই শৈক্ষিক দিনপঞ্জী প্ৰস্তুত কৰাৰ বাবে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ অসম শাখাই প্ৰস্তাৱ দিছে। এই উদ্দেশ্যে কালি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসমৰ এটা প্ৰতিনিধি দলে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যক সাক্ষাৎ কৰে। অসমৰ ৰাজ্যিক বিশ্ববিদ্যালয়সমূহ তথা ইয়াৰ অন্তৰ্ভুক্ত মহাবিদ্যালয়সমূহৰ পৃথক শৈক্ষিক দিনপঞ্জী হোৱাৰ বাবে ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলে বহু সময়ত ভাৰতৰ আন ৰাজ্য তথা বিদেশৰ বহু বিশ্ববিদ্যালয়ত নামভৰ্তিৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈ আহিছে। অসমৰ সকলো মহাবিদ্যালয়, ৰাজ্যিক বিশ্ববিদ্যালয় আদিত এখনেই শৈক্ষিক দিনপঞ্জী প্ৰযোজ্য হ'লে শৈক্ষিক ভ্ৰমণৰ বাবেও সুবিধা হ'ব বুলি সংগঠনটোৰ প্ৰতিনিধিয়ে মত প্ৰকাশ কৰে। তেওঁলোকে অসমৰ ৰাজ্যপালৰ নেতৃত্বত শিক্ষামন্ত্ৰী, শিক্ষা আয়ুক্ত আৰু বিশিষ্ট শিক্ষাবিদসকলৰ লগতে বিশ্ববিদ্যালয়সমূহৰ প্ৰতিনিধিকো অন্তৰ্ভুক্ত কৰি এখন উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰিবলৈ আহ্বান জনায়।

ooooo

বৃহস্পতিবাৰে নিশা দেহাৱসান ঘটা বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক তথা প্ৰাক্তন ৰঞ্জী খেলুৱৈ পৰাণ বৰবৰুৱাৰ অন্ত্যেষ্টিক্ৰিয়া কালি দুপৰীয়া নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হয়। ১৯৩৯ চনত যোৰহাটত জন্মগ্ৰহণ কৰা বৰবৰুৱাৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৫ বছৰ।  এগৰাকী সুদক্ষ ফুটবল খেলুৱৈ হোৱাৰ লগতে ক্ৰিকেট খেলুৱৈ হিচাপে তেওঁ ১৯৯৮ চনত অসমৰ ৰঞ্জী দলক প্ৰতিনিধিত্ব কৰিছিল। পাছলৈ তেওঁ চলচ্চিত্ৰ আৰু দূৰদৰ্শনৰ ধাৰাবাহিক নিৰ্মাতাৰূপে কেইবাখনো ছবি আৰু ধাৰাবাহিক প্ৰযোজনা কৰিছিল। তেওঁৰ প্ৰযোজিত ছবিসমূহৰ ভিতৰত সূৰুয, শ্ৰীমন্ত শংকৰদেৱ ইত্যাদি। ১৯৯৩ চনত বৰবৰুৱাই প্ৰযোজনা কৰা ছাউথ অব্ দা ডায়িং কালাৰ্ছ নামৰ চলচ্চিত্ৰখনে শ্ৰেষ্ঠ তথ্যচিত্ৰৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিছিল। গুৱাহাটী দূৰদৰ্শনৰ হৈ তেওঁ প্ৰযোজনা কৰা বৃকোদৰ বৰুৱাৰ বিয়া, মেজৰ চাহেব আদি কেইবাখনো ধাৰাবাহিকে প্ৰভূতঃ জনপ্ৰিয়তা অৰ্জন কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী-বিশিষ্ট গীতিকাৰ, কবি তথা আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত ঘোষিকা বিবিদেৱী বৰবৰুৱা আৰু জীয়ৰী চলচ্চিত্ৰ প্ৰযোজক-পৰিচালক প্ৰেৰণা বৰবৰুৱা আৰু একমাত্ৰ পুত্ৰক এৰি থৈ যায়।

ooooo

সমাপ্ত